# স্বজ্ঞা

# SVAJÑĀ

NARANGI ANCHALIK MAHAVIDYALAYA PHILOSOPHICAL FORUM

ESTD. - 2012

## দৰ্শন বিভাগৰ আলোচনী

প্ৰথম সংখ্যা, ২০১৬



## নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

Library Copy
NARANGI ANCHALIK MAHAVIDYALAYA PHILOSOPHICAL FORUM
ESTD. 2012

# SVAJÑĀ

# স্বজ্ঞা

দৰ্শন বিভাগৰ আলোচনী

নং - ১, ২০১৬

নাৰেংগী আঞ্চলিক মহাবিদ্যালয়
বিদ্যা দদাতি বিনয়
স্থাপিত : ১৯৯১ : নাৰেংগী : গুৱাহাটী-৭১

NARANGI ANCHALIK MAHAVIDYALAYA
Narangi, Guwahati-781071

# "Svajnā"

*A magazine of the Philosophy department. Published by Narangi Anchalik Mahavidyalaya, Guwahati-71.*

**EDITORIAL BOARD**

**Advisor :**

1. Reeta Dutta Hazorika (Principal)
2. Sebika Das (H.O.D.)
3. Dr. Karabi Goswami
4. Pinkumoni Barman

**TEACHER INCHARGE**

Garima Saikia

**EDITOR**

Samir Ahmed


**STUDENT MEMBER**

I. Ragini Sharma
II. Karabi Deka
III. Ajijur Rahman
IV. Lijuma Baro
V. Sankar Lodh
VI. Pankaj Saikia
VII. Bhagyashree Baishya
VIII. Manikankana Baruah

**COVER DESIGN BY**

Jutika Kalita

## PRINCIPAL



*It gives me immense pleasure to know that the students of Philosophy Department of our college are going to publish a magazine "SVAJÑĀ" fpr the first time. Such magazine is an important medium to depict the college activities. It offers vast opportunity to young writers to express their views on various topics and creative talents.*

*I earnestly hope that the students of philosophy department will make the best use of this opportunity by contributing to the "SVAJÑĀ" and the readers will benefit from the knowledge content.*

*I convey my good wishes for the successful publication of "SVAJÑĀ".*


Reeta Dutta Hazarika
Principal I/c
Narangi Anchalik Mahavidyalaya
Narangi, Guwahati-71

## সম্পাদকৰ দুআষাৰ

সাহিত্য হল এটা জাতিৰ দাপোন স্বৰূপ। সাহিত্য নহলে এখন সমাজ জীয়াই থাকিব নোৱাৰে। সাহিত্যে আমাক লাগিবই। সাহিত্য এটা জাতিৰ পৰিচয় দাঙি ধৰে। সাহিত্যৰ জৰিয়তে আমি আমাৰ ভাৱ, অনুভূতি, উপলব্ধি, কল্পনা আদি প্ৰকাশ কৰো। ঠিক সেইদৰে মুখপত্ৰ এখনো মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। দাপোনত যিদৰে মানুহৰ প্ৰতিবিম্ব প্ৰতিফলিত হয়, ঠিক তেনেদৰে মুখপত্ৰ খনতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সকলো দিশৰ প্ৰতিভা প্ৰতিবিম্বৰ দৰে প্ৰতিফলিত হয়। সেয়ে এই বছৰ দৰ্শন বিভাগৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকলে এখনি মুখপত্ৰ উলিয়াবলৈ প্ৰচেষ্টা হাতত লৈছো। আমাৰ এই মুখপত্ৰখন সুন্দৰ কৰি তুলিবৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে কবিতা, প্ৰবন্ধ, কৌতুক ইত্যাদি সন্নিবিষ্ট কৰিছে আৰু মুখপত্ৰখন জাকত-জিলিকা কৰি নিজৰ সাহিত্য প্ৰতিভাৰ পৰিচয় দিবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত কিমান সাফল্য লাভ কৰিছো সেয়া পাঠকে বিবেচনা কৰিব।

২০১৬ বৰ্ষৰ দৰ্শন বিভাগৰ আলোচনীৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই বিভাগ তথা মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগকন দিয়া সকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিলো। প্ৰথমেই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া শ্ৰীৰীতা দত্ত হাজৰিকা বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই আলোচনীখন প্ৰকাশ কৰিবলৈ সকলো দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে আমাৰ আলোচনী বিভাগৰ তত্বাবধায়িকা

শ্রীগৰিমা শইকীয়া বাইদেউ আৰু দৰ্শন বিভাগৰ প্ৰধান অধ্যাপিকা শ্ৰীসেৰিকা দাস বাইদেউ আৰু কৰবী গোস্বামী বাইদেউ, পিংকুমণি বৰ্মন বাইদেউলৈয়ো কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আমাৰ মুখপত্ৰ "স্বজ্ঞা" মহাবিদ্যালয়ৰ লগতে সমাজৰো প্ৰতিচ্ছবি হঁওক। মুখপত্ৰ "স্বজ্ঞা" খন প্ৰকাশ কৰোতে অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে দোষ মাৰ্জনা কৰে যেন। সুদুৰ ভৱিষ্যতে আলোচনী খনৰ মান আৰু উন্নত কৰিবলৈ আশীষ বিচাৰি ....

জয় দৰ্শন বিভাগ

জয় "স্বজ্ঞা"

জয় নাৰেংগী আঞ্চলিক মহাবিদ্যালয়

সমীৰ আহমেদ

# সূচীপত্ৰ


■ প্ৰবন্ধ শিতান ঃ

১) ঈশ্বৰ কি ?

২) শিক্ষিত আৰু জ্ঞানী একেইনে ?

৩) সুধাকণ্ঠ ড° ভুপেন হাজৰিকাদেৱৰ মানৱতাবাদ।

৪) সৰ্বপল্লী ৰাধাকৃষ্ণণ

৫) Indian Scientist and former President A.P.J. Abul Kalam

৬) Untouchability and Caste : Mahatma Gandhi

৭) সতী জয়মতী (নাৰী শক্তিৰ এক জলন্ত উদাহৰণ)

৮) শ্ৰীমদ্ভাগৱত গীতা (গীতাৰ দ্বিতীয় অধ্যায়ৰ পৰিচয়)

■ কবিতা শিতান ঃ

১) মৰীচিকা

২) আশ্ৰয়হীন জীৱন

৩) স্মৃতিৰ মাতৃভূমি

৪) স্বহীদ

৫) শিক্ষাৰ জেউতী

৬) বজাৰত জুই

৭) স্বপ্ন

৮) সুখৰ অপেক্ষাত

৯) জোনাকৰ আমন্ত্ৰন

■ কুইজ

# ঈশ্বৰ কি ?

.... এই প্ৰশ্নটিৰ উত্তৰ বিচাৰি ভাল লাগে। কিয়নো এই শব্দটিয়ে মোৰ জীৱনৰ প্ৰতি টো ক্ষণ স্পৰ্শ কৰে। যিমানেই ইয়াৰ উত্তৰ পাবলৈ বিচাৰো সিমানেই গভীৰ ভাবে মই নিজকে বিলাই দিও 'ইশ্বৰ শব্দটিৰ মাজত। মোৰ মনে এখন আধ্যাত্মিক জগতত বিচৰণ কৰি ফুৰে, যিখন জগতৰ সৌন্দৰ্য্য কল্পনাতীত।

মোৰ বোধেৰে ঈশ্বৰ হয়তো সেইটো শব্দ, যিটোত থাকে বিশ্বাস। ঈশ্বৰ হৈছে এটা শক্তি। যাৰ কোনো আকাৰ নাই, নিৰাকাৰ। এই যে সূতী বোৰ বা ছবি বোৰ ইশ্বৰৰ ৰূপ হিচাপে আমি গ্ৰহণ কৰো, সেয়া মাথো আমাৰ কল্পনাক দিয়া এটি বাস্তৱ ৰূপ, যিয়ে আমাক এটি আধ্যাত্মিক শক্তিৰ অস্তিত্বত বিশ্বাস কৰোৱাত সহায় কৰে। চঞ্চল মানৱ মনত ইশ্বৰৰ অনুভৱ কৰোৱাৰ ই এক মাধ্যমহে মাত্ৰ। কিন্তু প্ৰকৃতাৰ্থত এই শব্দৰ কোনো আকাৰ নাথাকে। 'ইশ্বৰ' এটি শক্তিৰ নাম যি প্ৰতিটো মুহূৰ্ততে আমাৰ লগত জড়িত হৈ আছে।

ইশ্বৰ শব্দটি ইমানেই শক্তিশালী যিটোৱে মানুহক অপৰাধৰ পৰা বিৰত ৰাখে, যিয়ে অস্থিৰ মনক স্থিৰ কৰিব পাৰে, উৎসাহ দিব পাৰে, প্ৰেৰণা দিব পাৰে। ই এক বিশ্বাস, যি বিশ্বাসে দুৰ্বল মনক কৰি তুলিব পাৰে সৱল।

'ইশ্বৰ' শব্দটিৰ অৰ্থ যদিহে বুজিবলৈ কোনোৱে বিচাৰে, তেনেহলে মই ক'ম- "মোৰ অনুভৱক আপুনিও অনুভৱ কৰক"।

কিয়নো 'ইশ্বৰ' শব্দৰ অৰ্থ অনুভৱেই নহয় জানো।

*শ্ৰীৰাগিনী শৰ্মা*

*৫ম ষান্মাষিক*

---

*ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।*

*—লক্ষ্মীনাথ বেজবৰুৱা*

*জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা কৰ্মেৰে।*

*—লক্ষধৰ চৌধুৰী*

# শিক্ষিত আৰু জ্ঞানী একেই নে ?

শিক্ষিত আৰু জ্ঞানী এই শব্দ দুটাক বহুজনে একেই বুলি ভাবে। কিন্তু এইটো এক ভুল স্বৰূপ। সাধাৰণ অৰ্থত বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষাৰে দীক্ষিত কোনো এজন লোকক শিক্ষিত বুলি ধৰা হয়। আনহাতে জ্ঞান শব্দটোক এনে অৰ্থত ব্যৱহাৰ কৰিব নোৱাৰি। শিক্ষিত হ'লেই যে মানুহ এজন জ্ঞানী হব তেনে নহয়, অশিক্ষিত মানুহ এজনো জ্ঞানী হব পাৰে। গ্ৰীক দাৰ্শনিক প্লেটোৰ মতে - 'জ্ঞান তিনি ঠাইৰ পৰা উৎপত্তি হয়, অনুভূতি সূচক ইন্দ্ৰীয় সমূহৰ পৰা ; উপদেশ বা পৰামৰ্শৰ পৰা আৰু চিন্তাশক্তি বা বিবেকৰ পৰা'।

'ত্ৰিবেদিকা' নামৰ গ্ৰন্থখনত তাৰা নাথ দাসে লিখিছে - 'শিক্ষা লাভৰ আটাইতকৈ প্ৰয়োজনীয় আৰু প্ৰশংসনীয় দিশটো হ'ল, সমাজ শক্তিক সুদৃঢ় কৰিবলৈ বিশেষ অৱদান আগবঢ়াব পৰাটোহে। চমক লগা ডিগ্ৰী লাভ কৰাটো নহয়। কিন্তু বৰ্তমান এই কথাযাৰৰ ওলোটা প্ৰতিচ্ছবিহে দেখিবলৈ পোৱা গৈছে। যদি আপোনাৰ ডিগ্ৰী ডিপ্লমা আছে তেন্তে আপুনি বহু কথা জানে বুলিহে ভাবি থয়, লাগিলে আপোনাৰ জ্ঞান শূন্যৰ ঘৰতেই হওঁক। অৱশ্যে শিক্ষিত লোক এজনো নিজৰ শ্ৰদ্ধা, অধ্যৱসায় আৰু বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত জ্ঞানী হৈ উঠিব পাৰে। অসমৰ বিখ্যাত সাহিত্যিক 'অসম কেশৰী' নামে খ্যাত অম্বিকাগীৰি ৰায় চৌধুৰীয়ে সু-সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিদেৱলৈ লিখা এখন চিঠিত তেওঁযে ৩য় মান আজিকালিৰ ৭ম মান শ্ৰেণীলৈহে পঢ়িছিল সেই কথা উল্লেখ কৰি থৈ গৈছে। অথচ বহুতে তেওঁক উকীল বুলি ভুল কৰে।

গতিকে ওপৰৰ আলোচনাৰ পৰা কব পাৰি যে কেৱল শিক্ষিত হলেও সেই মানুহ জ্ঞানী নহবও পাৰে। সেয়েহে বৰ্তমান সমাজত শিক্ষিত এবং জ্ঞানী লোকৰ গুৰুত্ব অপৰিসীম। তেওঁলোকৰ জৰিয়তে দেশৰ তথা সমাজ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰে।

*শ্ৰীযুতিকা কলিতা*
*পঞ্চম ষান্মাষিক*

---

*কাৰোবাক যদি প্ৰশংসা কৰিব নোখোজা তাক নিন্দাও নকৰিবা।*

*—লক্ষ্মীনাথ বেজবৰুৱা*

*তুমি আনক ক্ষমা কৰিলে বা ভাল পালে ঈশ্বৰেও তোমাক ক্ষমা কৰিব বা ভাল পাব।*

*—যীশুখ্ৰীষ্ট*

# সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ মানৱতাবাদ

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ লিখনি সমূহত মানৱতাব এক নতুন দিশ প্ৰতিপলিত কৰিছে। তেওঁৰ প্ৰত্যেকটো লিখনিতে মানু সুখ-দুখ, হাঁহি-কান্দোন, প্ৰকৃতিৰ লগত মানুহৰ সহ-অৱস্থান আদি বিভি দিশ অতি সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। তেওঁৰ মতে সকলো মানু সমান। কোনো উচ্চ নহয়, কোনো নীচ নহয়। জাতিভেদৰ কঠোৰ মানুহৰ প্ৰগতিৰ বাধা স্বৰূপ। সমাজৰ এনে এলান্ধুকলীয়া কু-প্ৰথা স ভাঙি নতুন সংস্কাৰমুক্ত মানৱ সমাজ এখন গঢ়িবলৈ তেওঁ প্ৰয়াস কৰি পুৰণিকলীয়া ভেদাভেদৰ প্ৰাচীৰ ভাঙি মানুহৰ মাজত এখনি সাম্যৰ স ৰচিবলৈ তেওঁ সংকল্প কৰিছে। সেয়ে তেওঁৰ মানৱতাবাদত মানু অন্তৰ্নিহিত শক্তিক অতি গুৰুত্ব দিছে আৰু সদৰ্থক দৃষ্টি কোণে মানৱতাবাদক তেওঁ এক নতুন সত্তা প্ৰদান কৰিছে।

মানুহক লৈ তেওঁৰ দৃষ্টিভংগী তেওঁৰ গীত সমূহৰ মাধ্যমে সুন্দৰভাবে প্ৰতিফলিত হৈছে।

"মানুহে মানুহৰ বাবে

যদিহে অকনো নাভাবে

অকণি সহানুভূতিৰে

ভাবিব কোনেনো কোৱা।"

হাজৰিকাদেৱৰ মতে মানৱতাবাদী দৰ্শনৰ উদ্দেশ্য হৈছে জীৱনত ... হে সন্মুখীত হোৱা বিভিন্ন প্ৰকাৰৰ সমাস্যাৰ আলোচনা কৰা আৰু ... ৱীন আদৰ্শৰ ওপৰত গভীৰ বিশ্বাস স্থাপন কৰা। মানুহৰ স্বাৰ্থ ৰক্ষা ... মানুহৰ প্ৰগতিৰ বাবে মানৱতাবাদী সকলে সততে আহ্বান জনায়। ... তেওঁলোকে মানুৰ বিপুল সম্ভাৱনাত বিশ্বাস কৰে। যিবোৰ দাৰ্শনিক তত্ত্ব ... সাহিত্যিক আদৰ্শই সমাজৰ সমস্যা সমূহক মানৱীয় আদৰ্শৰে সমাধান ... কৰিবলৈ চেষ্টা কৰে। এনে মানৱতাবাদী আদৰ্শৰে উদ্ভাষিত ব্যক্তি, শিল্পী, ... হিত্যিক, গল্পকাৰ, উপন্যাসিক, কবি, দাৰ্শনিক যিয়ে নহওঁক তেওঁলোকে ... কলোৱে মানৱতাবাদী দাৰ্শনিক আৰু মানৱতাবাদৰ প্ৰৱক্তা।

ড°ভূপেন হাজৰিকাদেৱে এনে দৃষ্টি ভংগীৰ বাবে তেওঁ সাম্প্ৰদায়িক ... প্ৰীতি, প্ৰেম, অহিংসা ইত্যাদিৰ কে জীৱন্ত নিদৰ্শন স্বৰূপ।

শ্ৰীআজিজুৰ ৰহমান

৫ম যান্মাষিক

---

*... জন শিক্ষক হ'ব লাগিব শাৰীৰিক ভাবে উপযুক্ত, আৱেগিক ভাবে ... ৱান, স্থিৰ, মানসিক ভাবে সজাগ, সামাজিক কৰ্মপটু আৰু আধ্যাত্মিক ... দিশত ঈশ্বৰৰ প্ৰতি ভয়, ভক্তি থকা লোক।*

*— দাৰ্শনিক এৰিষ্টটল*

*... আমি এনে শিক্ষা বিচাৰো যি শিক্ষাই আমাক চৰিত্ৰবান হ'বলৈ শিকাব। ... মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব আৰু নিজৰ ভৰিত থিয় ... হ'বলৈ সক্ষম কৰাব।*

*— স্বামী বিবেকানন্দ*

# সৰ্বপল্লী ৰাধাকৃষণ

সময়ে সময়ে এনে কিছুমান ব্যক্তিৰ জন্ম হয় যে তেওঁলোকৰ প্ৰতিভাই পৃথিৱীত চিৰকাললৈ জ্ঞানৰ পোহৰ বিলাই দিব পাৰে। তেনে এগৰাকী ব্যক্তি হ'ল সৰ্বপল্লী ৰাধাকৃষ্ণণ। ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে দক্ষিণ ভাৰতৰ তামিলনাডু ৰাজ্যৰ তিৰুতাৰি নামৰ নামৰ চহৰত ৰাধাকৃষ্ণনৰ জন্ম হয়। ১৮৯৬ চনলৈ তিৰুতাৰিতে প্ৰাথমিক শিক্ষা লৈ শিক্ষাৰ কাৰনে লুথেৰাণ মিচন হাইস্কুলত নাম ভৰ্ত্তি কৰিছিল। ১৯০০ চনত হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰি কলেজীয়া শিক্ষাৰ বাবে ভেলোৰ কলেজ তাৰ পাছত মাদ্ৰাছ খ্ৰীষ্টান কলেজত নাম ভৰ্ত্তি কৰিছিল। ৰাধাকৃষ্ণণৰ পৰিয়ালটো আৰ্থিকভাবে সৱল নহোৱাৰ বাবে তেখেতে বৰ কষ্টেৰে শিক্ষা অৰ্জন কৰিবলগীয়া হৈছিল। অতি কষ্টেৰে শিক্ষা গ্ৰহণ কৰি অৱশেষত কৰ্ম কৰিবলৈ ধৰে। ১৯০৯ চনত ৰাধাকৃষ্ণণে মাদ্ৰাজ প্ৰেচিডেন্সী কলেজত দৰ্শন বিষয়ৰ অধাপক হিচাপে নিযুক্তি লাভ কৰিলে। এয়াই আছিল তেওঁৰ প্ৰথম শিক্ষক জীৱনৰ পাতনি। ইয়াৰ পাছত ১৯১৮ চনত ৰাধাকৃষণে মহিযুৰ বিশ্ববিদ্যালয়ত দৰ্শনৰ অধ্যাপক হিচাপে যোগ দিছিল। ১৯২১ চনত ছাৰ আশুতোষ মুখাৰ্জীৰ আমন্ত্ৰণ ক্ৰমে ৰাধাকৃষ্ণণে মহীশূৰৰ পৰা আহি কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ সন্মানীয় সৰ্বোচ্চ অধ্যাপক পদত যোগদান কৰেহি। ৰাধাকৃষ্ণণৰ প্ৰতিভাৰ কথা গম পাই দেশৰ সকলোৱে তেওঁক পোৱাৰ কামনা কৰিছিল। সেয়ে ১৯২৯ চনত অক্সফোৰ্ড মানচেষ্টাৰ কলেজৰ অধ্যক্ষ পদ খালী হোৱাত ৰাধাকৃষ্ণণলৈ আমন্ত্ৰন আহে আৰু ৰাধাকৃষ্ণণে অধ্যক্ষ পদ গ্ৰহণ কৰে।

ৰাধাকৃষ্ণণে ১৯৪৯ চনত শিক্ষা জগতৰ পৰা আঁতৰি আহি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰদূতৰূপে ছোভিয়েট ৰাছিয়ালৈ গমন কৰে। তাত ১৯৫২ চনলৈকে থাকি কাৰ্য্যনিৰ্ব্বাহ কৰে। ১৯৫২ চনতে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ডি.এল. উপাধি লাভ কৰে। ৰাধাকৃষ্ণণে শিক্ষাজগতৰ পৰা আঁতৰি অহাৰ পিচতো কিন্তু তেখেতৰ পাণ্ডিত্যপুৰ্ণ লিখনিসমূহ একাদিক্ৰমে প্ৰকাশ হৈয়ে আছিল।

ৰাধাকৃষ্ণণে শিক্ষকতাৰে জীৱন আৰম্ভ কৰি জীৱনৰ বেছিভাগ সময় দেশে-বিদেশে শিক্ষাৰ লগত জড়িত হৈ শেষৰ ফালে জৱাহৰলাল নেহৰুৰ আমন্ত্ৰণ ক্ৰমে দেশৰ কল্যাণৰ হকে ৰাজনীতিত সোমাই পৰে।

১৯৬২ চনত ৰাধাকৃষ্ণণ ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয়। তেওঁ দেশবাসীক ধৈৰ্য আৰু সাহসেৰে আমাৰ উদ্দেশ্য আৰু লক্ষ্যত উপনীত হবলৈ, কাম কৰি যাবলৈ আহ্বান জনাইছিল।

এইজনা বিচক্ষণ ৰাজনীতিবিদ, বিশ্ব-বিশ্ৰুত পণ্ডিতস দাৰ্শনিক, ৰাষ্ট্ৰপতি গৰাকীৰ বাবেই সেই সময়ত বিশ্বৰ দৰবাৰত ভাৰতে সগৌৰেৰে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

সৰ্বপল্লী ৰাধাকৃষ্ণণ আছিল এজন প্ৰকৃত অৰ্থত শিক্ষক, শিক্ষাবিদ, পণ্ডিত, দাৰ্শনিক, ৰাজনীতিক আৰু জ্ঞান তপস্বী। নিম্ন মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি শিক্ষকৰূপে কৰ্মজীৱন আৰম্ভ কৰি ৰাষ্ট্ৰপতিৰূপে নিজৰ কৰ্মজীৱন শেষ কৰিছিল। সেয়েহে ৰাধাকৃষ্ণণৰ জন্মদিনটো সমগ্ৰ দেশতে 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপিত হৈ আহিছে।

*শ্ৰীবন্দিতা বৰ্মন*
*পঞ্চম ষাণ্মাষিক*

---

*সত্যক কেতিয়াও ঢাকি ৰাখিব নালাগে, কাৰণ সত্যই অন্দকাৰক ঘৃণা কৰে।*
*—মহাত্মা গান্ধী*

*এখন ভাল কিতাপ বন্ধুতকৈ আপোন। বন্ধু সকল গুচি গলেও কিতাপখন কিন্তু চিৰকাললৈ থাকে।*
*—ড° বাণীকান্ত কাকতি।*

# সতী জয়মতী

## (নাৰী শক্তিৰ এক জলন্ত উদাহৰণ)

*"সতী জয়মতীৰ সতীত্বৰ তেজেৰে*

*অসমী আই অতি প্ৰবল।"*

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ কলমেৰে নিগৰা উক্ত কবিতা ফাকিয়ে সতী জয়মতীৰ পবিত্ৰ তেজেৰে ৰাঙলী হোৱা জেৰেঙা পথাৰৰ কথা মনত বাৰে বাৰে অসমবাসীক সোঁৱৰাই দিয়ে।

সতী জয়মতী অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থকা এগৰাকী মহীয়সী নাৰী। সতীত্বৰ তেজেৰে অসম মাতৃৰ বুকু ৰাঙলী কৰা এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰা এগৰাকী বীৰাংগণাৰ পিতৃ আছিল আহোম ৰাজমন্ত্ৰী লাইথেপেনা বৰগোহাঁই।

সম্ভ্ৰান্ত বংশত জন্মা জয়মতী কুঁৱৰী চন্দ্ৰকলাৰ দৰেই ডাঙৰ হৈ অহাৰ লগে লগেই ৰন্ধা-বঢ়া, তাত বোৱা আদি কাম আয়ত্ব কৰি লৈছিল। তেওঁ কপাহ নেওঠি পাঁজিৰ পৰা সূতা কাটি আঁচুবুলীয়া ৰিহা, গুণাৰ বনকৰা মেখেলা, পাৰি দিয়া চেলেং চাদৰ প্ৰস্তুত কৰাৰ উপৰিও তেওঁ কবচ বৱও জানিছিল।

জয়মতী কুঁৱৰী তুংখঙীয়া ফৈদৰ কোঁৱৰ লাঙি গদাপানিৰ লগত বিবাহপাশত আবদ্ধ হৈ লাই লেচাই নামৰ দুটি পুত্ৰ সন্তানৰ মাতৃ হৈছিল। সেই সময়ত সমগ্ৰ অসমক ৰাজনৈতিক স্বেচ্ছাচাৰিতাৰ ক'লা ধোৱাই আৱৰি ধৰিছিল। লালুকসোলা বৰফুকনে নিজৰ ৰাজনৈতিক ক্ষমতা সুদৃঢ় কৰিবলৈ

ল'ৰাৰজা চুলিকফাক সিংহাসনত বহুৱাই আপোন ইচ্ছাৰে ক্ষমতা ব্যৱহাৰ কৰিছিল। মোগলৰ আঁসে পাই লালকসোলা বৰফুকনে নিজৰ নিজৰ ৰাজনৈতিক ক্ষমতা সুদৃঢ় কৰিবলৈ ল'ৰাৰজা চুলিকফাক সিংহাসনত বহুৱাই আপোন ইচ্ছাৰে ক্ষমতা ব্যৱহাৰ কৰিছিল। মোগলৰ আঁসে পাই লালকসোলা বৰফুকন যেন হৈ পৰিছিল এটা জীয়া চিকাৰী বাঘ আৰু সেই বাঘক নৰৰক্ত যোগোৱাৰ আহিলা মাথোন সিংহাসনত বহা ল'ৰাৰজা। ক্ষমতাৰ অন্তৰায় সকলো ৰাজকোঁৱৰকে লালুকসোলাই অংগক্ষত কৰাই নিজেই অংগক্ষত থকা কোনো কোঁৱৰ ৰজা হ'ব নোৱাৰিব বুলি আইন ৰচিছিল। লালুকৰ বিৰুদ্ধে মাত মতাৰ সাহস কাৰো নাছিল। একমাত্ৰ তুংখঙীয়া গদাপাণি আছিল লালুকৰ শংকাৰ কাৰণ। গতিকে তেওঁক অংগক্ষত কৰোৱাৰ পৰিকল্পনা কৰি ৰজাৰ চোৰাংচোৱা পঠিয়াইছিল। প্ৰত্যুৎপন্নমতি, সাহসী তথা নিজ কৰ্তব্যত দৃঢ় জয়মতীয়ে গদাপাণিক নগা পাহাৰলৈ পলুৱাই পঠিয়াই নিজেই অসম মাতৃক অত্যাচাৰী শাসকৰ কবলৰ পৰা মুক্ত কৰাৰ শপত ল'লে। ৰজাৰ সৈন্যই গদাক নাপাই জয়মতীক ধৰি নি জেৰেঙা পথাৰত অকথ্য নিৰ্যাতন চলালে। তথাপি জয়াই গদাৰ কথা নকলে। গদাপাণিয়ে নগা পাহাৰৰ পৰা নগাৰ বেশেৰে আহি তেওঁৰ কথা কবলৈ অনুৰোধ জনালে কিন্তু জয়াৰ সংকল্প সুদৃঢ়। নিজৰ জীৱন তেওঁৰ বাবে তুচ্ছ। অসমৰ ভবিয্যতৰ ৰক্ষাৰ বাবে তেওঁ নিজৰ প্ৰাণ উছৰ্গা কৰিলে।

জয়মতী কেৱল এগৰাকী সতী নহয়, এক বিৰাট প্ৰজা বিদ্ৰোহৰ অনুপ্ৰেৰণা। জয়মতীৰ আত্মত্যাগে আহোম ৰাজ্যৰ প্ৰজা সকলৰ চকু মুকলি কৰিলে, তেওঁলোকে অত্যাচাৰী ৰাজ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ গঢ়ি তুলিবলৈ

বল লপালে। কেৱল সাময়িক ভাৱেই নহয়, জয়মতী ভৱিষ্যতৰ বাবে নিজ দেশক ৰক্ষা কৰিলে। তেওঁ জানিছিল গদাপাণিৰ নেতৃত্বই অসমৰ ভৱিষ্যত সুৰক্ষিত কৰিব। জয়মতীৰ দেশপ্ৰেমৰ ফলশ্ৰুতিত আহোম ৰাজ্য সুস্থিৰ হৈ উঠিল।

এগৰাকী সম্ৰান্ত মহিলাক মুকলি পথাৰত অত্যাচাৰ কৰা হ'ল। সেই নৃশংস অত্যাচাৰ সহ্য কৰিলে কেৱল দেশৰ বাবে। নিজৰ আপোন জনতাৰ বাবে দেহৰ ৰক্ত টোপাটোপে ঢালি দি নিজকে নিঃশেষ কৰি পেলালে।

নাৰীৰ দৃঢ় মনে এখন ঘৰেই নহয়, এখন দেশ অসংখ্য প্ৰজাক যুগ যুগৰ বাবে সুৰক্ষিত কৰিব পৰাৰ এক জলন্ত উদাহৰণ জয়মতী আইদেউ। তেখেতৰ আত্মত্যাগে বিশ্বক যেন ৰিঙিয়াই কৈ গ'ল নাৰী অবলা বা দূৰ্বলা নহয়, নাৰীৰ সবল ভূমিকা কালজয়ী আৰু যুগজয়ী।

*"কোনদিনা দিহা এৰি এক কৰি যাব*
*অ'ত ত'ত গজি উঠা বিষ ৰঘুমলা ?*
*কোনদিনা এক কৰি জাতি উপজাতি*
*পৰ্বতি ভৈয়াম হ'ব সুজলা-সুফলা ?"*

***শ্ৰী কৰবী ডেকা***
***পঞ্চম যান্মাষিক***

---

*শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা শিক্ষাৰ্থীক নন ভাৱ দি ভৱিষ্যত জীৱন যুজত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্ব প্ৰকাৰ যোগ্যবান কৰা।*

*—তৰুণৰাম ফুকন।*

*মুৰ্খ আৰু অজ্ঞানীয়ে সত্য কি বস্তু নাজানে।*

*—বুদ্ধদেৱ।*

## INDIAN SCIENTIST AND FORMER PRESIDENT A.P.J. ABDUL KALAM

Dr. A.P.J. Abdul Kalam, the most popular president in India history was born on 15th October, 1931 in a small coostal town in Tamil Nadu. Dr. Kalam was a philosopher's stone starting from being a teacher he became his mentor and played many other Rotes. "He has been there with me to guide me with his experience. He would always focus on the smaller things which made a big difference. He would ask me and all people from my generation to take care of their parents as that virtue he felt was being neglected by the children today". While today generation is glued to their mobile phones and gadgets. Dr. Kalam advised children to looks away to looks around. Whenever I used my phone. He would tell me keep it a side leave your whatsapp and facebook and see how beautiful the world is look at scenery around yourself there is so much to looks at the world is splendid out there. Kalam wanted to work for the unpriviteged children. He wanted to work with vision 2020. He gave due importance to the need of solar power.

***Lijuma Boro***
***3rd Semester***

---

*To understand the actual world as it is not as we should wish it to be is the beginning of wisdom.....* ***- Bertrand Russell***

*True perfection is a bold quest to seck only the welling and true of heart will seck the betterment of many."* ***- Socrates***

## UNTOUCHABILITY AND CAST :- MAHATMA GANDHI

It is a wrong to destroy caste because of the outcaste, as it would be to destroy a body because of an ugly growth in it or of a crop because of the weeds. The outcasteness, in the sense we undrstand it has therefore to be destroyed altogether. It is an excess to be removed, if the whole system is not to Perish. Untouchability is the product, therefore, not of the caste system, but of the distinction of high and low that has crept into Hinduism and is according it. The attack an Untouchability is thus an attack upon this high and lowness. The moment untouchability goes, the caste system itself will be purified, that is to say, according to may dream. It will resolve itself into the true varnadharma the four division of society, each complementary of the other and none inferiour or superior to any other, each as necessary for the whole body of Hinduism as any other.

*Bibha Kumari*
*3rd Semester*

---

*Sream is not waht you see in sleep is the thing which doesn't let you sleep.* ***- Dr. A.P.J. Abdul Kalam***

*Be not afraid of anything you will do marvelloun work.*
*They moment you fear, you are nobody.*
*Be a hero*
*always say, "I have no fear.*
*Tell this to everybody- 'Have no fear.*

*-Swami Vivekananda*

# শ্ৰীমদ্ভগৱদ গীতা

(গীতাৰ দ্বিতীয় অধ্যায়ৰ পৰিচয়)

গীতাৰ দ্বিতীয় অধ্যয়ৰ নাম সাংখ্য যোগ । সাংখ্য কপিল মুনিৰ দ্বাৰা ৰচিত দৰ্শন শাস্ত্ৰৰ নাম গীতাক সমস্ত হিন্দুশাস্ত্ৰৰ সাৰ বোলা হয় আৰু দ্বিতীয় অধ্যয়টোত সমস্ত গীতা শাস্ত্ৰৰ সাৰ নিহিত আছে । যিসকল ব্যক্তিৰ সময়ৰ বৰ অভাৱ, সেই সকল যদি এই অধ্যয়টোৰ তাৎপৰ্য বুজিবলৈ চেষ্টা কৰে, সেয়াই তেওঁলোকৰ বাবে যথেষ্ট এই অধ্যয়টোত ভগৱানে অতি গুৰুত্বপূৰ্ণ কথা কৈছে

ভগৱানৰ উক্তি-----------

১. আত্মাৰ মৃত্যু নহয়,শৰীৰহে মৃত্যু হয় । আত্মা শৰীৰত থকালৈকেহে মানুহে চলাফুৰা কৰিব, সকলো কৰ্ম কৰিব পাৰে। শৰীৰৰূপী বস্ত্ৰ, সলাই আত্মা গুচি গলে মানুহক মৃত বুলি কোৱা হয় ।

২.মানুহৰ শৰীৰ যেনেকৈ কৈশোৰ ,যৌৱন আৰু বাৰ্দ্ধক্য অৱস্থা কালৰ গতিত উপস্থিত হয়, তেনেকৈ আত্মাই এক দেহ এৰি অন্য দেহ ধাৰণ কৰিব পাৰে।

৩.আত্মাক অস্ত্ৰ-শস্ত্ৰৰে কাটিব নোৱাৰে,জুয়ে পুৰিব নোৱাৰে,পানীয়ে তিয়াবা নোৱাৰে।

৪.যুদ্ধ ক্ষত্ৰিয়ৰ ধৰ্ম,সেয়েহে যুদ্ধ কৰা অৰ্জুনৰ কৰ্তব্য।

৫.সুখ-দুখ আৰু জয়-পৰাজয় সমভাৱে থাকিলে যুদ্ধত পাপ নহয়।

৬. ফল কামনা ত্যাগ কৰি কৰ্ম কৰিব লাগে। কৰ্ম নকৰো এই ভাৱ মনলৈ কেতিয়াও আহিবলৈ দিব নালাগে।কামনা বাসনাই সকলো দুখৰ কাৰণ ।কামনা ত্যাগেই মনুহক মহৎ কৰি তোলে ।

দুখত যিজন উদ্বিগ্ন নহয়,সুখতো উত্তাৱল নহয়, তেওঁ জীৱিত অৱস্থাতেই ব্ৰহ্মপ্ৰাপ্ত হোৱা বুলি ধৰা হয়।মনৰ কামনা যিজনে ত্যাগ কৰিব পাৰিছে,যি পায় তাতেই সন্তুষ্ট থাকে, তেওঁ জ্ঞান লাভ কৰিছে বুলি জনা যায়।শশ নদীৰ পানী সাগৰত পৰিলেওঁ সাগৰ ধীৰ-স্থিৰ হৈ থাকে,কোনো পৰিবৰ্তন হোৱা দেখা নাযায়। সেইদৰে যি মানুহৰ মনত সুখ-দুখ আহি পৰিলেও দুখ-শোকত বিচলিত নহয়,শান্ত হৈ থাকে ,তেৱেই শান্তি লাভ কৰে। যাৰ মন কামনাৰ বসনাৰে পূৰ্ণ, তেনে লোকে শান্তি লাভ কৰিব নোৱাৰে।

এই দ্বিতীয় অধ্যায়টোত মানৱ জীৱনৰ সৰ্বোচ্চ শিক্ষা দিয়া হৈছে । এই অধ্যায়টি মনত চিন্তন কৰি মুখস্ত কৰিলে ব্যক্তিৰ সকৰো দিশত উন্নতি হয় ।

দৰ্শন বিভাগ

শংকৰ লোদ

শ্ৰেণী-স্নাতক তৃতীয় ষান্মাসিক

# মৰীচিকা

শ্ৰীৰাগিনী শৰ্মা
পঞ্চম ষান্মাষিক

মৰুভূমিত তৃষ্ণাতুৰ পথিকৰ দৰে
খেদি ফুৰিছো মৰীচিকা
শূণ্য এই আনন্দ
শূণ্য এই আশা আকাংক্ষা
শূণ্য এই জীৱন
জানিও অবুজৰ দৰে, হাবাথুৰি খাইছো
বহু সপোন দিঠক কৰিবলৈ
বিচাৰিছো জীৱনটো ৰঙীন কৰিবলৈ
পাহৰি গৈছো সত্যতা জীৱনৰ
বন্দী হৈছো,
সত্বঃ ৰজঃ তমঃ
এই তিনি গুণত।
কিন্তু সকলো ক্ষন্তেকীয়া
নাই অৰ্থ এই বোৰৰ
হেৰাই গৈছো,
জীৱনৰ আনন্দ-বেদনাৰ মাজত
খেদিছো মাথো মৰীচিকা, মৰীচিকা
মাথো মৰীচিকা।

ঃঃঃ

*ধনৰ দ্বাৰা মানুহে নিজক ৰক্ষা কৰিব নোৱাৰে।*

*—ভগবান মহাবীৰ।*

*জগতত জীয়াই থাকিবলৈ প্ৰেম, সাহস আদিৰ দৰকাৰ।*

*—আব্ৰাহাম লিংকন*

# আশ্ৰয়হীন জীৱন

*সমীৰ আহমেদ*

*পঞ্চম ষান্মাষিক*

কেনেকৈ জীয়াই থাকো
এই নিষ্ঠুৰতাৰ মাজত
জীৱনৰ পথত কেৱল
স্বাৰ্থপৰতা বিৰাজমান।
কতো বিচাৰি নাপালো
স্বদেশৰ ভালপোৱা
আশ্ৰয়হীন হৈ থকা জীৱনবোৰক লৈ
মই খহি পৰিছো।
তেওঁলোকৰো বহুতো সপোন আছে,
এই সপোন বাস্তৱত ৰূপায়িত হোৱাৰ
আশাৰে জীয়াই আছে তেওঁলোক
কিন্তু কোনেও তেওঁলোকক
এবাৰো সুধি নাচায়
সেয়েহে মই ক'ব বিচাৰো
এই স্বাৰ্থপৰ জগতবাসীয়ে
কেতিয়া বাৰু ঘুৰি চাব সেই
আশ্ৰয়হীন জীৱন বোৰক - - - ?

০০০০০
০০০০০

---

*কেৱল ঈশ্বৰেহে জীৱন নিব পাৰে কাৰণে জীৱ দিওঁতাও তেওঁবেই।*

*— মহাত্মা গান্ধী*

*জ্ঞানৰ নিচিনা পবিত্ৰকাৰী একোৱেই নাই।*

*—ভগবান শ্ৰীকৃষ্ণ (গীতা)*

# স্মৃতিৰ মৰুভূমি

*শ্ৰীবন্দিতা বৰ্মন*

*পঞ্চম ষান্মাষিক*

বাৰে ৰহনীয়া মোৰ জন্মভূমি
এয়েই হওঁক মোৰ কামনাৰ থলী,
সুখ-দুখ আৰু অনেক সপোন ইয়াতেই আছে
মোৰ মনৰ দাপোন।
ইয়াতেই, আছে মোৰ মাতৃ আদৰৰ
শুনিব পাওঁ যে সদায় মাত মৰমৰ
পাৰিম নে পূৰাব এদিন আইৰ আশা
দিবানে, ধৰিত্ৰী আই মোক অলপ প্ৰতিভা।
বিনন্দীয়া বিশ্বৰ সোণালী আশা
ৰঙ আৰু তুলিকাৰ অবুজ ভাষা,
তথাপি, দেশ মাতৃৰ নাই যে সীমা
আই মোৰ চিৰ যুগমীয়া।

# শ্বহীদ

শ্ৰীনিতু তালুকদাৰ
তৃতীয় ষান্মাষিক

শ্বহীদ তোমালৈ মোৰ প্ৰণাম
তুমিয়ে আমাৰ দেশৰ গৌৰৱ,
তুমিয়ে আমাৰ প্ৰাণ ৰক্ষক,
তুমিয়ে আমাৰ দেশ ৰক্ষক।
শ্বহীদ তোমালৈ মোৰ প্ৰণাম।
দেশৰ সীমাৰেখাত প্ৰহৰীৰ দৰে পহৰা দি
তুমি দেশ ৰক্ষা কৰা।
শত্ৰুৰ লগত যুদ্ধ কৰি,
জন-গণৰ প্ৰাণ ৰক্ষা কৰা।
শ্বহীদ আকৌ পুনৰবাৰ তোমালৈ
মোৰ প্ৰণাম।
কৌটি কৌটি বাৰ প্ৰণাম।

((()))) 

# শিক্ষাৰ জেউতী

শ্ৰীযুতিকা কলিতা
পঞ্চম ষান্মাষিক

চাকিয়ে যেনেকৈ আন্ধাৰত
সকলোতে পোহৰ বিলাই
তেনেকৈ শিক্ষাই মনৰ আকাশ
জ্ঞানৰ জ্যোতিৰ উজ্বলায়।
যেনেদৰে শৰৎকাল আকাশৰ পূৰ্ণিমাৰ জোনটোক
চালে গা-মন জুৰ পৰে
তেনেদৰে শিক্ষাৰ জেউতিয়ে মনৰ
এন্ধাৰ প্ৰতিদিনে দুৰ কৰে।
জ্ঞান জ্যোতিৰে আলোকিত হৈ
আমি সকলোৰে আগবাঢ়ি যাম।।

ঃঃ ঃঃ ঃঃ

# বজাৰত জুই

শ্ৰীবিজু চৌধুৰী
পঞ্চম ষান্মাষিক

বজাৰত জুইৰ তাপ
বৰ বেছি
সহিব নোৱাৰি
ডেই পুৰি যায়
মোৰ বুকু
তোমাৰ পিঠি।
অবাধ গতি তাৰ
হকা বাধা নকৰে
থাকি বনিয়াৰ ছাঁত
দুবেলা দুসাঁজৰ
যোগাৰৰ দিহা হেৰাই
দিনে দিনে
তোমাৰ মোৰ ————
মোৰ পকেটৰ আকাৰ যে
তেনেই সৰু
ডেই পুৰি যায়
মোৰ বুকু
ক্ষোভত জ্বলে
তোমাৰ মোৰ চকু ——

## স্বপ্ন

*লিজুমা বড়ো*
*তৃতীয় ষান্মাষিক*

মোৰ হেপাহবোৰেৰে গঢ়া
মোৰ আশাৰ ঘৰ।
কেক্‌টাচৰ আঘাতত
হঠাৎ চাৰখাৰ হ'ল মোৰ ঘৰ।
নৈৰ বালি চাপৰিত পৰি মিলি গ'ল
মোৰ বালিয়া ঘৰ।
হঠাৎ দেখিলো মানুহৰ এটি দল
তেওঁলোকৰ মাজত পইচা লৈ টনা আজোৰা
মই স্বপ্ন ভংগ হৈ ভাবিলো
সপোনবোৰ সচাঁই অযথা।

(( ०००
०००
))

# সুখৰ অপেক্ষাত

লতা চক্রৱৰ্ত্তী

পঞ্চম ষাণ্মাষিক

মই মোৰ মনৰ দুৱাৰ খুলি থৈছোঁ।
যদি সেই দুৱাৰৰ মাজেৰে
ক'ৰবাৰ পৰা বতাহৰ সৈতে
সুখ ভাহি আহি
মোৰ জীৱনৰ পজাঁটি
সুখেৰে ভৰপূৰ কৰে।
অযুত আশা লৈ
জীয়াই আছো মই,
কেতিয়া পূৰ্ণ হ'ব মোৰ
এই আশাবোৰ
বগা কাগজৰ দৰে
জীৱনটো যে মোৰ ।
সেই বগা কাগজ খিলা
কেতিয়া ভৰিব বাৰু
সুখৰ ৰঙেৰে ?
সেয়ে আজি মই ৰৈ আছো
সুখৰ অপেক্ষাত

((( ০০০ )))

# জোনাকৰ আমন্ত্ৰণ

*পংকজ শইকীয়া*
*১ম ষাণ্মাষিক*

নিয়ৰৰ মুকুতা পিন্ধি কোন তুমি ৰূপী
এখোজ দুখোজ কাঢ়ি কাঢ়ি
নীলকণ্ঠ ৰাতি কলৈ যোৱা তুমি
শীতৰ ৰাতি গলি গলি জ্বলিব জোন
জ্বলি জ্বলি বিলাব জোনাকৰ আমন্ত্ৰণ
জোন জ্বলিব তৰা ফুলিব
শীতৰ ৰাতিত আহিব তোমাৰ ধুনীয়া সপোন।
তোমাৰ আগমনে আজি মোৰ বুকুত বাঢ়িছে উষ্ণতা
খোজ কাঢ়ি কাঢ়ি হেমন্ত ৰাতি বৰ অভিমানী।

((()))

# কুইজ

*শংকৰ লোধ*
*তৃতীয় বাৰ্ষিক*

১। মুদ্ৰা উপ ঢাকা ক'ত ?
উত্তৰ ঃ মাৰ্কিন যুক্তৰাষ্ট্ৰত ।

২। চন্দ্ৰগুপ্ত মৌৰ্যই শেষত কি ধৰ্ম গ্ৰহণ কৰিছিল ?
উত্তৰ ঃ জৈন ।

৩। ভাৰতৰ কোনখন ৰাজ্যক "মচলাৰ বাগিচা" বোলে ?
উত্তৰ ঃ কেৰেলা।

৪। জৈন ধৰ্ম কোন শ্ৰেণী ব্যক্তিৰ মাজত জনপ্ৰিয় ?
উত্তৰ ঃ বাণিজ্যিক গোষ্ঠী।

৫। "ফ্ৰেনলজি" শব্দটো মানৱদেহৰ কোন অঙ্গৰ লগত জড়িত ?
উত্তৰ ঃ লাওখোলা আৰু মগজু।

৬। মানৱদেহৰ ক্ষুদ্ৰতম হাড়ডাল কোন অঙ্গত থাকে ?
উত্তৰ ঃ কাণত ।

৭। কাক চীনা দেশৰ দাৰ্শনিক বোলা হয় ?
উত্তৰ ঃ কনফুচিয়াচ।

৮। শংকৰদেৱৰ সমসাময়িক আহোম ৰজা কোন আছিল ?
উত্তৰ ঃ চুহুংমুং

৯। "ড্ৰেগনৰ দেশ" কোন দেশক কোৱা হয় ?
উত্তৰ ঃ ভূটানক।

১০। পৃথিৱীৰ প্ৰথম বুৰঞ্জীবিদ কোন ?
উত্তৰ ঃ হিৰোদটাচ।